স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

চন ☐ VOL-15 ☐ NO-319 ☐ MONDAY 26 JANUARY 2026 (ডিব্ৰুগড় সংস্কৰণ/D

## ৰ অভিযান

নিয়মীয়া বাৰ্তা, নাজিৰা, ২৫ জানুৱাৰী ঃ
াৰ আবকাৰী বিভাগে কালি নিচেই পুৰা
সমজিলাৰ তিনিটা অবৈধ চুলাই ঘাটি
গতে বৃহৎ পৰিমাণৰ চুলাই, চুলাই প্ৰস্তুত
নষ্ট কৰে। আবকাৰী বিভাগৰ নাজিৰা
ৰ্শকৰ নেতৃত্বত নাজিৰা সমজিলাৰ বিহুবৰ,
ক ধৰি সমীপৱৰ্তী অঞ্চলত এই অভিযান
এই সন্দৰ্ভত বিভাগীয়ভাৱে তিনিটা গোচৰ
। নাজিৰা সমজিলাৰ অন্তৰ্গত বিভিন্ন
ৰা ব্যৱসায়ে গা কৰি উঠিছে।

## শ হাজৰিকাৰ

## তৰু

## ৰ সামৰণি

তীসকলে অংশগ্ৰহণ কৰে। সমাজ সেৱিকা
ইকীয়াই উদ্বোধন কৰা সভাৰ আঁত ধৰে
নী, স্থানীয় যুৱক যামিনী কুমাৰ দত্ত আৰু
ভিযন্তা, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ
পাদক নৰোত্তম বৰুৱাই। সভাত ভাষণ
য়ৰ ই-প্ৰশাসন অভিযানৰ মুৰব্বী বিষয়া
থে বৰ্তমান বিশ্বত জাতীয়তাবাদক লৈ চলি
ন্যই মানৱ সভ্যতাক কোন দিশে লৈ যোৱা
া প্ৰকাশ কৰে। বিশেষকৈ ৰাষ্ট্ৰনেতাসকলে
ৰ্ণ বৈষম্যক লৈ প্ৰদৰ্শন কৰা অসহনশীল
ৰ্তমান সমগ্ৰ বিশ্বতে এক অস্থিৰ বাতাবৰণ
ুলি উল্লেখ কৰি তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি
াম্পৰ নাম লয়। ৰাষ্ট্ৰনেতাসকলৰ এনে
যুৱক-যুৱতীসকলৰ মনত বিৰূপ প্ৰভাৱ
ুলি উল্লেখ কৰে। গহপুৰ শংকৰদেৱ শিক্ষা
ৰ অধ্যক্ষ জয়ন্ত শইকীয়াই যুৱক-
লক অধ্যাত্মিক শিক্ষা দিয়াৰ লগতে
ক ব্যৱহাৰিক শিক্ষা প্ৰদান কৰিলে

## কানৈ মহাবিদ্যালয়ত গণৰাজ্য দিৱস

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৫ জানুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিচালনা সমিতিৰ সদস্য, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক মহাবিদ্যালয় পৰিয়ালে কাইলৈ 'শিক্ষা শিৰোমণি' সন্মান প্ৰদান কৰিব। লগতে গণৰাজ্য দিৱসৰ একেটা অনুষ্ঠানতে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী, ঘোষিকা পৰশা কোঁৱৰক 'কণ্ঠ সৌৰভ' সন্মান, অনাতাঁৰ ঘোষিকা, শিক্ষয়িত্ৰী মৈত্ৰেয়ী ফুকনক 'সুৰীয়া কণ্ঠ' সন্মান আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, সমাজকৰ্মী আহমদ আলি আয়ুবিক 'মানৱ বন্ধু' সন্মান প্ৰদান কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এক বিবৃতিত জনোৱা মতে মহাবিদ্যালয়ৰ উত্তৰণৰ দিশত নিৰবচ্ছিন্নভাৱে কাম কৰি ২৫ বছৰ অৰ্থাৎ কৰ্ম জীৱনৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° লামখোলাল ডুংগেল, ড° মৃদুল শৰ্মা, ৰাজীৱ লোচন বৰা, ড° সঞ্চিতা বৰুৱা, আদিত্য দাহাল, অদিতি কোঁৱৰ গগৈ, অনন্ত টেৰণক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপক ড° অপূৰ্ব দত্ত আৰু ড° অমিতাভ দলে, সাংস্কৃতিক কৰ্মী বিউটী লেখাৰু শইকীয়া, সাংস্কৃতিক কৰ্মী সুতাপা চৌধুৰী, সাহিত্যিক মীনাক্ষি দাস বৰুৱা, সাহিত্যিক বিতুমণি গগৈক সম্বৰ্ধনা জনোৱা হ'ব।

লগতে পথত কিদৰে খোজকাঢ়ি জীৱন সুৰক্ষিত কৰিব লাগে, সেই সম্পৰ্কতো মূল্যৱান পৰামৰ্শ আগবঢ়ায়। সভাত ডিব্ৰুগড় আৰ টিএ ব'ৰ্ড আৰু 'ডিআৰএছচি'ৰ সদস্য, সাংবাদিক ইকবাল আহমেদে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰি বিশেষকৈ এইক্ষেত্ৰত মাতৃ সমাজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সাৰুৱা বক্তব্য আগবঢ়ায়। সভাত ডিব্ৰুগড় জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ এনফ'ৰ্চমেণ্ট পৰিদৰ্শক নৰেন বৰঠাকুৰে আগবঢ়োৱা বক্তব্যত পথ দুৰ্ঘটনা হ্ৰাস কৰাত 'পঞ্চসূত্ৰ' মানি চলাৰ কথা উল্লেখ কৰি দুচকীয়া বাহন চলাওঁতে হেলমেট পিন্ধা, দ্ৰুতগতিত গাড়ী চলোৱা কাৰ্য বন্ধ কৰা, সুৰাপান কৰি যান-বাহন নচলোৱা, চালক আৰু আৰোহীয়ে সদায় ছীটবেল্ট পৰিধান কৰা আৰু যান-বাহন চলাওঁতে ম'বাইল ফোন ব্যৱহাৰ বন্ধ কৰা আদি পথ সুৰক্ষা সম্পৰ্কীয় ভালেমান গুৰুত্বপূৰ্ণ দিশৰ কথা আলোকপাত

নিজকে বচাই ৰখাৰ বাবে
মাজত সজাগতাৰ একে
২০২৫ বৰ্ষত ডিব্ৰুগড়
দুৰ্ঘটনা সম্পকীয় ৫৭টা
বিপৰীতে বিভিন্ন স্থানত শ
মৃত্যু হৈছে।এইসমূহৰ ভিত
কাঢ়িবলৈ নজনাৰ লগতে
কেৱল বৰবৰুৱা আৰু লাহে
অঞ্চলতে মুঠ চৈধ্যটাৰো অ
সমসংখ্যক লোক (যাৰ বয়
ৰ অকাল মৃত্যু হোৱাৰ কথা
সভাত জিলা পৰিবহণ বিভ
অশোক সিং, সহকাৰী পৰি
বিভাগীয় কৰ্মচাৰীসকল উপ
জানুৱাৰীত জিলাখনৰ লেপেট
পথ সুৰক্ষা সজাগতা সভা অ

## গড়মূৰীয় সত্ৰাধিকাৰ কৃষ্ণ চন্দ্ৰ দেৱগোস্বামীৰ তিথি

বিশেষ বাৰ্তা, মাজুলী, ২৫ জানুৱাৰী ঃ ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি দুবছৰৰ অধিক সময় কাৰাৰুদ্ধ হোৱা স্বাধীনতা আন্দোলনৰ ইতিহাসৰ প্ৰথমগৰাকী মাজুলীৰ ঐতিহাসিক ৰজাঘৰীয়া চাৰি সত্ৰৰ অন্যতম শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ পঞ্চদশগৰাকী সমাজপ্ৰদীপ সত্ৰাধিকাৰ কৃষ্ণ চন্দ্ৰ দেৱগোস্বামীৰ ৪০সংখ্যক তিৰোভাৱ তিথি কালি সত্ৰখনত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তিথি উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে ৮ বজাৰ পৰা আইসকলৰ নাম অনুষ্ঠিত হয়। ৯.৩০ বজাত সমাজ প্ৰদীপ সত্ৰাধিকাৰ, স্বাধীনতা সংগ্ৰামী গুৰুজনাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ ৰবীন শৰ্মাই। গুৰুজনাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ কাৰ্যসূচী সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীয়ে আৰম্ভ কৰাৰ পিছতে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি জয়ন্ত বৰা প্ৰমুখ্যে বৈষ্ণৱবৃন্দই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গুৰুজনাৰ তিথি উপলক্ষে পিণ্ডদান আদি কাৰ্যৰ সমাপন কৰে সত্ৰাধিকাৰগৰাকীয়ে। পুৱা প্ৰসংগত সত্ৰৰ লগতে মাজুলীৰ বাহিৰৰ বহু শিষ্যই অংশগ্ৰহণ কৰে। দিনৰ এক বজাৰ পৰা উঠানাম, গায়ন-বায়ন, নটুৱা নৃত্য আৰু ওজাপালি পৰিৱেশন কৰে সত্ৰৰ বৈষ্ণৱসকলে। সন্ধিয়া বন্তি প্ৰজ্বলন, আৰতি আৰু সন্ধা প্ৰসংগৰে তিথিৰ কাৰ্যসূচীৰ সামৰণি পৰে। মাজুলীৰ বাহিৰত থকা শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ শাখা সত্ৰ ক্ৰমে লখিমপুৰৰ কুঁহিয়াৰবাৰী, যোৰহাট নেহৰু পাৰ্কৰ শাখা সত্ৰ, গড়মূৰ টোকোলাই শাখা সত্ৰ, নাগাজাংকা শাখা সত্ৰ, নগাঁৱৰ পুৰণিগুদাম শাখা সত্ৰ, ফুলগুৰি শাখা সত্ৰ আৰু উত্তৰ গুৱাহাটী শাখা সত্ৰতো শাখা সত্ৰ পৰিচালনা সমিতিয়ে গুৰুজনাৰ তিথি যথাৰীতি পালন কৰে।

## ক
## বি

নিয়মী
জানুৱ
সংগঠ
জনহি
কাজত
শীত ক
সংগঠন
অভিযা
লোকস
শ্বেটাৰ
কৰে।
অধীনত
লগতে
১,০০০
হয়।
সুজান
বিদ্যাল
বিদ্যাল
ইউনিফ
প্ৰদান
অংশ